**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-JAN-2026
**Time :** 1715 HRS

***Assamese Evening Bulletin***
***Headlines***
——————————————————

১। ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত ভাৰত পেভেলিয়নৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

২। অপ্ৰীতিকৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ উদ্দেশ্যে কোকৰাঝাৰ আৰু চিৰাং জিলাত ইণ্টাৰনেট কৰ্তন।

৩। বিলুপ্তপ্ৰায় খাময়াং, টাইফাকে আৰু চিংফু ভাষাৰ ডিজিটেল সংৰক্ষণৰ বাবে আছু আৰু নন্দ তালুকদাৰ ফাউণ্ডেছনৰ বিশেষ পদক্ষেপ। ***আৰু***

৪। ওদালগুৰি জিলাৰ শ্ৰীৰামচন্দ্ৰ ৰাভা সমন্বয় ক্ষেত্ৰত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে নিখিল ৰাভা জাতীয় পৰিষদৰ শতবাৰ্ষিকী।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত ভাৰত পেভেলিয়নৰ উদ্বোধনী অনুষ্ঠানত অংশ লয়। এই মঞ্চই বিশ্বৰ সন্মুখত ভাৰতে আগবঢ়োৱা সৰ্বোত্তম সুযোগ সুবিধাসমূহ প্ৰদৰ্শন কৰি দেশৰ সন্মান বৃদ্ধি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি গোলকীয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণক সাক্ষাৎ কৰি ফলপ্ৰসূ আলোচনাত মিলিত হয়। ড° শৰ্মাই অসমৰ ছেমি কণ্ডাক্টৰ উদ্যোগক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত টাটা গ্ৰুপৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি কয়, যে বিশ্বৰ মুখ্য অংশীদাৰসকলৰ সৈতে একেলগ হৈ ৰাজ্যখনৰ ঔদ্যোগিক পৰিৱেশ সুদৃঢ় কৰাৰ বাবে অসম চৰকাৰ সংকল্পবদ্ধ।

উল্লেখযোগ্য যে অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সন্মিলনত অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত ৰাজ্যখনক আগশাৰীলৈ লৈ যোৱাৰ দিশত সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে এই ফ'ৰামত কমেও ১৭ খন বৈঠকত অংশ লোৱাৰ লগতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

০০০০০০০

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰত যোৱা নিশা সংঘটিত গণপ্ৰহাৰৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ১৯জন লোকক আটক কৰিছে। ঘটনাটো সন্দৰ্ভত সোধা-পোছা কৰাৰ বাবে এই লোককেইজনক আটক কৰা হৈছে বুলি জানিবলৈ দি জিলাখনৰ আৰক্ষী অধীক্ষক অক্ষদ গাৰ্গে কয় যে আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। আইন-শৃংখলাজনিত পৰিস্থিতি নিয়ন্ত্ৰণৰ ৰখাৰ উদ্দেশ্যে কোকৰাঝাৰ আৰু চিৰাং জিলাত মোবাইল ইণ্টাৰনেট সেৱা সাময়িকভাৱে কৰ্তন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি জিলাখনৰ পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে সমাজৰ নেতৃস্থানীয় ব্যক্তি আৰু ৰাজনৈতিক নেতাসকলক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কোকৰাঝাৰৰ পৰিস্থিতি স্বাভাৱিক কৰি

তোলাৰ বাবে জিলা প্ৰশাসনৰ লগতে ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে শান্তি-শৃংখলা আৰু জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে সেনাবাহিনীৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৰেপিড এক্সন ফোৰ্চ নিয়োগ কৰা হৈছে।

উল্লেখযোগ্য যে যোৱা নিশা অঞ্চলটোত গৰু চোৰৰ সন্দেহত ৫ জন লোকক গণপ্ৰহাৰৰ ঘটনা সংঘটিত হয়। এই আক্ৰমণত এজন লোকৰ মৃত্যু হোৱাৰ লগতে ৪ জন লোক গুৰুতৰভাৱে আহত হয়। আহতসকলৰ ভিতৰত সুনীল মুৰ্মু নামৰ লোকজনৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি জিলাখনৰ আওদাং অঞ্চলত পথ নিৰ্মাণৰ কামত জড়িত থকা শ্ৰমিককেইজন কোকৰাঝাৰলৈ এখন চাৰিচকীয়া বাহনেৰে উভতি যোৱাৰ সময়ত এই ঘটনা সংঘটিত হয়। গৌৰীনগৰৰ মাচিং ৰোড অঞ্চলত শ্ৰমিককেইজন গৈ থকা বাহনখন এটা স্থানীয় লোকৰ দলে আগচি ধৰি গৰু চোৰৰ সন্দেহত আক্ৰমণ কৰে। পাছত কোকৰাঝাৰ আৰক্ষীৰ দল ঘটনাস্থলিত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আক্ৰমণত চিকনা জৱহলাউ বিছমিত নামৰ শ্ৰমিকজনৰ থিতাতে মৃত্যু হয়। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত প্ৰভাত ব্ৰহ্ম, জুবিৰাজ ব্ৰহ্ম, সুনীল মুৰ্মু আৰু মহেশ মুৰ্মুক কোকৰাঝাৰ হাস্পতালত ভৰ্তি কৰোৱা হয়। বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে এই ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এই ঘটনাত তৃতীয় পক্ষ জড়িত থকা বুলি মন্তব্য কৰে। তেওঁ সকলোকে শান্তি-শৃংখলা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

বাইট

০০০০০০০

অসমৰ বিলুপ্তপ্ৰায় খাময়াং, টাইফাকে আৰু চিংফু ভাষাৰ ডিজিটেল সংৰক্ষণৰ বাবে সদৌ অসম ছাত্ৰ সন্থা আৰু নন্দ তালুকদাৰৰ ফাউণ্ডেচনে বিশেষ পদক্ষেপ লৈছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদ মেলত ছাত্ৰ সংগঠনটোৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে তিনিওটা ভাষাত উপলভ্য তথ্যসমূহ অধ্যয়ন আৰু গৱেষণাৰ বাবে আজি ৰাজহুৱাকৈ মুকলি কৰি দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীৰ গৱেষক আৰু ইচ্ছুক ৰাইজে তিনিওটা ভাষাৰ সংৰক্ষিত তথ্যসমূহ ডিজিটেল মাধ্যমত বিচাৰিব পাৰিব। তেওঁ কয় যে ১০ হাজাৰতকৈও কম লোকে ব্যৱহাৰ কৰা আৰু ইউনেস্কোৱে বিপন্ন ভাষা হিচাপে তালিকাভুক্ত কৰা তিনিটা ভাষা সংৰক্ষণৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছিল।

বাইট (সমুজ্জ্বল ভট্টাচাৰ্য)

সংবাদমেলত ছাত্ৰ সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই কয় যে অসমৰ জনজাতি আৰু বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সাংস্কৃতিক আৰু ভাষিক সংৰক্ষণৰ অংশ হিচাপে ছাত্ৰ সন্থাৰ সৈতে নন্দ তালুকদাৰ ফাউণ্ডেচনৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰিত হৈছিল। যোৱা বছৰৰ ২২ এপ্ৰিলত স্বাক্ষৰিত চুক্তিৰ জৰিয়তে ৰাজ্যখনৰ বিলুপ্তপ্ৰায় ভাষাসমূহৰ উপলভ্য আপুৰুগীয়া পুথি আৰু লিখিত সাহিত্যসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

ওদালগুৰি জিলাৰ টংলাৰ কাষৰীয়া হাবিগাঁৱৰ শ্ৰীৰামচন্দ্ৰ ৰাভা সমন্বয় ক্ষেত্ৰত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে নিখিল ৰাভা জাতীয় পৰিষদৰ শতবাৰ্ষিকী অনুষ্ঠিত হৈছে। অঞ্চলটোৰ ২০০ বিঘা ভূমিক সামৰি আয়োজন কৰা এই অনুষ্ঠানত আজি পুৱা পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভাই মূল পতাকা উত্তোলন কৰাৰ লগতে আন ১০০গৰাকী বিশিষ্ট ব্যক্তিয়ে ১০০খন পতাকা উত্তোলন কৰে। প্ৰায় ২ কোটি টকাৰ বাজেটেৰে আয়োজন কৰা এই শতবাৰ্ষিকী অনুষ্ঠানত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ লগতে বাংলাদেশ আৰু ভূটানকে ধৰি আন বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিব। নিখিল ৰাভা জাতীয় পৰিষদৰ শতবাৰ্ষিকী উপলক্ষে অঞ্চলটো সম্প্ৰতি উদুলি-মুদুলি হৈ পৰা বুলি আকাশবাণীৰ ওদালগুৰিৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

গুৱাহাটী মহানগৰীৰ মঠঘৰীয়াৰ অৰণ্য ভৱনত কৰ্মৰত বন বিষয়া কুশল কুমাৰ ডেকাৰ বাসভৱনত আজি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ অভিযান চলায়। আয়ৰ সৈতে সামঞ্জস্য নথকা সম্পত্তিক লৈ বন বিষয়াজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। এই গোচৰৰ ভিত্তিতে মুখ্যমন্ত্ৰীৰ তদাৰকী বিষয়াগৰাকীৰ বিৰুদ্ধে অভিযান চলাইছে।

০০০০০০০

বিজেপিৰ কাৰ্যকৰী সভাপতি নীতিন নবীন দলটোৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে নিৰ্বাচিত হৈছে। দলৰ ৰিটাৰ্ণিং বিষয়া ডঃ কে লক্ষ্মণে আজি শ্ৰীনবীনক নতুন দিল্লীত অৱস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰাৰ লগতে সংগঠন পৰ্ব অনুষ্ঠানত নিৰ্বাচনৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। শ্ৰীনবীনক দলৰ জ্যেষ্ঠ নেতাসকল আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা আৰু কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে সম্বৰ্দ্ধনা জনায়।

এই অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীনবীনক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে বিজেপি দল হৈছে পৃথিৱীৰ ভিতৰতে এটা সৰ্ববৃহৎ ৰাজনৈতিক দল। শ্ৰীনবীনে দলৰ ঐতিহ্যক আগবঢ়াই নিব পাৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয় যে ন-কৈ নিযুক্তিপ্ৰাপ্ত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে বৃহৎ অৰ্থনৈতিক, সামাজিক আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ সাক্ষী হোৱা প্ৰজন্মক প্ৰতিনিধিত্ব কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ডেকা শক্তিৰ উদ্যম আৰু সাংগঠনিক কাম কৰাৰ অভিজ্ঞতাৰে পুষ্ট শ্ৰীনবীনৰ নেতৃত্বত দলৰ কৰ্মীসকল উপকৃত হ'ব।

প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে যোৱা কেইবাটাও মাহত দলৰ ৰাষ্ট্ৰীয় সভাপতি নিৰ্বাচন প্ৰক্ৰিয়াত তৃণমূল পৰ্যায়ৰ গোটসমূহকে ধৰি সকলো পৰ্যায়ত গণতান্ত্ৰিক প্ৰক্ৰিয়া মানি চলা হৈছে। তেওঁ লগতে কয় যে দলৰ নেতৃত্ব পৰম্পৰা, অভিজ্ঞতা আৰু সেৱাৰ মনোভাৱেৰে পৰিচালিত হয়। শ্ৰীমোদীয়ে কয় যে দলৰ বৃহৎ সংগঠন পৰ্ব বিজেপিৰ গণতান্ত্ৰিক বিশ্বাস, সাংগঠনিক নিয়মানুৱৰ্তিতা আৰু কৰ্মীকেন্দ্ৰিক মনোভাৱৰ প্ৰতীক। জনসাধাৰণৰ বিশ্বাসে দলটোক শক্তিশালী কৰি অহা বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে বিগত ১১ বছৰ দলটোৱে জনসাধাৰণৰ আস্থা আদায় কৰাৰ ক্ষেত্ৰত এটা উল্লেখনীয় যাত্ৰা কৰিছে। তেওঁ কয় যে জনসাধাৰণৰ সেৱাই হৈছে দলৰ আটাইতকৈ অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়।

কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই নৱনিৰ্বাচিত সভাপতি নীতিন নবীনৰ নিৰ্বাচন সন্দৰ্ভত সম্বৰ্ধনা জনাই কয় যে এয়া এটা ঐতিহাসিক অনুষ্ঠান। শ্ৰীনাড্ডাই কয় যে নীতিন নবীনৰ এটা আদৰ্শগত পটভূমি আছে আৰু তেওঁ অতি কম বয়সতে পাঁচবাৰকৈ বিধায়ক হিচাপে সেৱা আগবঢ়াই আহিছে। তেওঁ কয় যে এজন তৰুণ, উদ্যমী আৰু প্ৰতিভাবান ব্যক্তিয়ে দলৰ ৰাষ্ট্ৰীয় সভাপতিৰ দায়িত্ব বহন কৰিছে।

০০০০০০০

অসম ক্ৰিকেট সন্থাৰ সৌজন্যত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগিতাত জিলাখনৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত চলি থকা অষ্টম অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট প্ৰতিযোগিতাত মৰিগাঁও জিলা মণ্ডলৰ আজি অনুষ্ঠিত সপ্তমখন খেলত বড়িগাঁও উদয়ন সংঘই জয়লাভ কৰিছে। দলটোৱে ভূৰবন্ধা নৱজ্যোতি সংঘক ১১ ৰাণত পৰাজিত কৰে। উদয়ন ক্লাবৰ আতিকুৰ ৰহমানক শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়।

০০০০০০

**সমাপ্ত**